অধ্যায় ৯ঃ ভাৰতৰ স্থানীয় স্বায়ত্ব শাসন

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ ভাৰতৰ স্থানীয় স্বায়ত্ব শাসন আৰু ইয়াৰ বিকাশ
৯.৪ অসমৰ স্থানীয় স্বায়ত্ব শাসন আৰু ইয়াৰ বিকাশ
৯.৫ ৭৩ তম আৰু ৭৪ তম সংবিধান সংশোধনী
৯.৫.১ ৭৩ তম সংবিধান সংশোধনী
৯.৫.২ ৭৪ তম সংবিধান সংশোধনী
৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৭ অধিক জানিবলৈ
৯.৮ অগ্রগতিৰ খতিয়ান
৯.৯ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতবৰ্ষৰ স্থানীয় স্বায়ত্ব শাসন ব্যৱস্থাৰ বিকাশ আৰু উন্নয়ন সম্বন্ধে বর্ণনা কৰিব পাৰিব
- অসমৰ স্থানীয় স্বায়ত্ব শাসন ব্যৱস্থাৰ বিকাশ আৰু উন্নয়ন সম্পর্কে জ্ঞাত হ'ব
- সংবিধানৰ ৭৩তম সংশোধনী আৰু পঞ্চায়তৰ লগত জড়িত নিয়মাৱলীসমূহ ব্যাখ্যা কৰিব পাৰিব
- সংবিধানৰ ৭৪তম সংশোধনী আৰু নগৰ পালিকাৰ লগত জড়িত নিয়মাৱলীসমূহ বর্ণনা কৰিব পাৰিব
- জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাওঁ পঞ্চায়তৰ প্রধান কার্যসমূহৰ বাখ্যা আগবঢ়াব পাৰিব।